# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI

0000000000

Date : 07-10-2023
Time : 1800 Hrs.

০০০০০০০

ইউনেস্কোৰ বিশেষজ্ঞ প্ৰতিনিধিৰ দল আজি ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰত উপস্থিত হৈছে। ইউনেস্কোৰ উত্তৰ-পূৱ এছিয়াৰ বিশেষজ্ঞ প্ৰতিনিধি ছিংগাপুৰৰ **লিম চিং ছিয়াঙৰ** নেতৃত্বত অহা এই বিশেষজ্ঞৰ দলটো বিয়লি চাৰে ৪ বজাত মৈদাম ক্ষেত্ৰত উপস্থিত হয়। উপস্থিত হোৱাৰ পিছতে দলটোক অসমীয়া গামোচা, টাই আহোম জনগোষ্ঠীৰ পৰম্পৰাগত পোছাক চাপকন, আহোম পাগ আৰু এখন হেংদাং প্ৰদান কৰাৰ লগতে বিহু নৃত্য আৰু পৰম্পৰাগত লাই লুং খাম নৃত্যৰে আদৰণি জনোৱা হয়। বিশেষজ্ঞৰ দলটোৱে ৩ দিন মৈদাম ক্ষেত্ৰত তথ্য আৰু সমল সংগ্ৰহৰ লগতে মৈদামৰ ঐতিহাসিক গুৰুত্ব বিচাৰ কৰি প্ৰতিবেদন দাখিল কৰিব। এই প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰিয়েই চৰাইদেউ মৈদাম ক্ষেত্ৰই ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে স্বীকৃতি পোৱাটো নিৰ্ভৰ কৰিব। উল্লেখযোগ্য যে, পৰহিলৈ বিয়লি পৰ্যন্ত বিশেষজ্ঞৰ দলটোৱে মৈদাম এলেকাৰ বিভিন্ন তথ্য সমল সংগ্ৰহ কৰি ছিংগাপুৰলৈ ৰাওনা হ'ব।

০০০০০০০

মেৰি মাটি মেৰা দেশ কাৰ্যসূচীৰ অংশ হিচাপে আজি উজনি মাজুলি উন্নয়ন খণ্ডত আয়োজিত অমৃত কলহ যাত্ৰাৰ দ্বিতীয় পৰ্যায়ৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ, জলপথ আৰু আয়ুষ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। অনুষ্ঠানত সাংসদ তপন কুমাৰ গগৈ, প্ৰদান বৰুৱা, বিধায়ক নৱ কুমাৰ দলে আৰু ভূবন গামেও অংশ লয়। ইপিনে, মৰিগাও জিলাৰ মানিপুৰ গাঁও পঞ্চায়তত আজি বহু লোকে অমৃত কলহ যাত্ৰাত অংশ লয়। যমুনামুখ সমষ্টিৰ ভেৰোগুৰি পঞ্চায়তৰ উদ্যোগতো আজি অমৃত কলহ যাত্ৰাৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে ৰাইজৰ পৰা সংগ্ৰহ কৰা মাটি পঞ্চায়ত কাৰ্যালয়ৰ কলহত জমা কৰা হয়। এই উপলক্ষে চাহ জনগোষ্ঠীয় যুৱতীসকলে ঝুমুৰ নৃত্যৰে সকলোকে আকৰ্ষণ কৰে।

গুৱাহাটী মহানগৰীতো কাইলৈ মেৰি মাটি মেৰা দেশ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। কাইলৈ দিনৰ ১০ বজাত লতাশিল খেলপথাৰৰ পৰা উজানবজাৰৰ গুৱাহাটী পৌৰ নিগমৰ কাৰ্যালয়লৈ এই উপলক্ষে শোভাযাত্ৰা উলিওৱা হ'ব। পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই প্ৰকাশ কৰা মতে, মহানগৰীৰ ৬০টা ৱাৰ্ডৰ পৰা সংগ্ৰহ কৰা মাটি পৌৰ নিগমৰ কাৰ্যালয়লৈ শোভাযাত্ৰা কৰি লৈ যোৱা হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে আজি ৰাজ্যৰ শিক্ষা বিভাগৰ বিভিন্ন সঞ্চালকালয়ৰ অধীনত ৩১৮ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শিক্ষা উপদেষ্টা ননী গোপাল মহন্তকে ধৰি অন্যান্য শিক্ষা বিষয়াসকলৰ উপস্থিতিত গুৱাহাটীৰ মাছখোৱাৰ সাংস্কৃতিক প্ৰকল্পত প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰে। এই নৱনিযুক্ত প্ৰাৰ্থীসকলৰ ভিতৰত ২৪১ গৰাকী দিব্যাংগ প্ৰাৰ্থীয়ে প্ৰাথমিক শিক্ষা বিভাগত, ২৭ গৰাকী প্ৰাৰ্থীয়ে উচ্চ শিক্ষা বিভাগত সহকাৰী অধ্যাপক আৰু অন্যান্য পদত নিযুক্তি লাভ কৰাৰ লগতে আন ৫০ গৰাকী প্ৰাৰ্থীয়ে ৰাজ্যিক, শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ বিভিন্ন পদত নিযুক্তি পত্ৰ লাভ কৰে।

০০০০০০০

গোলাঘাট জিলাৰ মেৰাপানী ৰাজহুৱা খেলপথাৰত আজিৰে পৰা ৯ দিনীয়া কাৰ্যসূচীৰে মেৰাপানী গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱ ২০২৩ অনুষ্ঠিত হৈছে। দৈয়াং শাখা সাহিত্য সভাৰ উদ্যোগত আৰু বিভিন্ন দল সংগঠনৰ সহযোগত অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানীত প্ৰথমবাৰৰ বাবে এই উৎসৱ অনুষ্ঠিত হৈছে। গ্ৰন্থমেলাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভালেসংখ্যক গ্ৰন্থ বিপনী মুকলি কৰা হৈছে। কাইলৈ গ্ৰন্থ উন্মোচনী অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০০

শিৱসাগৰ জিলাৰ নাজিৰাৰ গেলেকীৰ বৃহত্তৰ অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। গেলেকী পশু চিকিৎসালয়ৰ উপৰি গেলেকী থানা আৰু অন্যান্য কাষৰীয়া অঞ্চল বানত বুৰ গৈছে। ক্ষতিগ্ৰস্ত লোকসকলে গেলেকী প্ৰাথমিক বিদ্যালয়ত আশ্ৰয় লৈছে বুলি জানিব পৰা গৈছে।

০০০০০০০

সদৌ অসম কৰ্মচাৰী পৰিষদৰ আহ্বান মৰ্মে আজি ৰাজ্যৰ বিভিন্ন সংগঠনে নতুন পেন্সন আঁচনি বাতিল কৰি পুৰণি পেন্সন আঁচনি বাহালৰ দাবীত অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে। পৰিষদৰ সভাপতি দ্বীপেন শৰ্মা আৰু সম্পাদক দিলীপ কলিতাই এক বিবৃতিযোগে জনাই যে, পৰিষদৰ অন্তৰ্গত সমূহ কৰ্মচাৰী পৰিষদে ৰাজ্যৰ বিভিন্ন জিলা আৰু উপ জিলাত পুৱা ১১ বজাৰ পৰা বিয়লি ২ বজালৈ এই অৱস্থান ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰে। আনহাতে, গুৱাহাটীৰ চচলত কামৰূপ জিলা কৰ্মচাৰী পৰিষদৰ উদ্যোগত শিক্ষক-কৰ্মচাৰী, শ্ৰমিক আৰু বিষয়াসকলে অৱস্থান ধৰ্মঘট কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০০০

চীনৰ হাংঝৌত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে ২৮ টা সোণ, ৩৬ টা ৰূপ আৰু ৪১ টা ব্ৰঞ্জসহ মুঠ ১০৫ টা পদক লাভ কৰি অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে। শেহতীয়াকৈ পুৰুষৰ কাবাডী দলে আফগানিস্তানৰ বিৰুদ্ধে খেলখন বৰষুণৰ বাবে বাতিল হোৱাৰ পাছত স্বৰ্ণ পদক অৰ্জন কৰে। আনহাতে, মল্লযুঁজত দিপক পুনিয়াই পুৰুষৰ ৮৬ কিলোগ্ৰাম ফ্ৰিষ্টাইল শাখাত ৰূপৰ পদক অৰ্জন কৰিছে। পুৰুষৰ বেডমিণ্টনৰ ডাবলছত ভাৰতৰ চিৰাগ চেট্টী আৰু সত্তিক সাইৰাজ ৰনকি ৰেড্ডীৰ যুটীটোৱে সোণৰ পদক অৰ্জন কৰিছে।

০০০০০০০

আই চি চি ক্ৰিকেট বিশ্বকাপত আজি ধৰমশালাত অনুষ্ঠিত এখন খেলত বাংলাদেশে আফগানিস্তানক ৬ উইকেট পৰাস্ত কৰে। ১৫৭ ৰানৰ লক্ষ্যৰে খেলি বাংলাদেশে ৩৪ দশমিক ৪ অভাৰত ৪টা উইকেটৰ বিনিময়ত ১৫৮ ৰান সংগ্ৰহ কৰে। বাংলাদেশৰ হৈ মেহেদি হাছান মিৰাজ আৰু নাজমুল হুছেইন সান্তুৱে অৰ্ধ শতক অৰ্জন কৰে।

দ্বিতীয়খন খেল নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত বৰ্তমান ছাউথ আফ্ৰিকা আৰু শ্ৰীলংকাৰ মাজত চলি আছে। ছাউথ আফ্ৰিকাই টছত জিকি প্ৰথমে বেটিং কৰি বাতৰি অহাৰ পৰলৈকে ৪৬ দশমিক ৪ অভাৰত ৪টা উইকেটৰ বিনিময়ত ৩৮১ ৰান কৰে।

০০০০০০০

**সমাপ্ত**